# **REGIONAL NEWS UNIT**
# AKASHVANI, GUWAHATI
0000000000

**Date :** 19-03-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। অসমৰ নামৰূপৰ ব্ৰহ্মপুত্ৰ উপত্যকা সাৰ নিগম লিমিটেডৰ বৰ্তমানৰ চৌহদত বছৰি ১২ লাখ ৭০ হাজাৰ মেট্ৰিকটন উৎপাদনক্ষম এমনীয়া ইউৰিয়া প্ৰকল্প স্থাপনৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীসভাই অনুমোদন জনাইছে।

২। দেশত বৰ্তমান ১৫ হাজাৰ জন ঔষধি কেন্দ্ৰ কাৰ্যক্ষম হৈ আছে আৰু চৰকাৰে অহা দুবছৰত আৰু দহ হাজাৰ এনে কেন্দ্ৰ খোলাৰ সিদ্ধান্ত লৈছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতে বিভিন্ন ক্ষেত্ৰত গ্ৰহণ কৰা কুটনৈতিক স্থিতি স্বীকৃতি আৰু প্ৰশংসাৰ যোগ্য বুলি বিজেপিয়ে প্ৰকাশ কৰিছে।

৪। ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে জলশক্তি মন্ত্ৰালয়ক ৯৯ হাজাৰ ৫০০ কোটি টকাৰো অধিক পুঁজি আৱণ্টন কৰা হৈছে।

**আৰু**

৫। মিজোৰাম চৰকাৰে ৰাজ্যখনত মিজোৰাম সাৰ্বজনীন স্বাস্থ্য সেৱা আঁচনি নামেৰে এখন বৃহৎ আঁচনি প্ৰৱৰ্তন কৰিছে।

০০০০০

অসমৰ নামৰূপৰ ব্ৰহ্মপুত্ৰ উপত্যকা সাৰ নিগম লিমিটেডৰ বৰ্তমানৰ চৌহদত বছৰি ১২ লাখ ৭০ হাজাৰ মেট্ৰিকটন উৎপাদনক্ষম এমনীয়া ইউৰিয়া প্ৰকল্প স্থাপনৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীসভাই অনুমোদন জনাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত এই প্ৰস্তাৱত অনুমোদন জনোৱা হয়। আজি নতুন দিল্লীত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এইবিষয়ে প্ৰকাশ কৰে। এই প্ৰকল্পৰ বাবে দহ হাজাৰ ৬০১ কোটি টকাৰো অধিক আনুমানিক ব্যয় ধাৰ্য্য কৰা হৈছে। এই প্ৰকল্পত ৰাজ্য চৰকাৰে ৪০ শতাংশ, ব্ৰহ্মপুত্ৰ উপত্যকা সাৰ নিগম লিমিটেডৰ এঘাৰ শতাংশ, হিন্দুস্থান উৰ্বাৰক আৰু ৰসায়ন লিমিটেডৰ ১৩ শতাংশ, ৰাষ্ট্ৰীয় সাৰ লিমিটেডৰ ১৮ শতাংশ আৰু অইল ইণ্ডিয়া লিমিটেডৰ ১৮ শতাংশ অংশীদাৰিত্ব থাকিব। এই প্ৰকল্পই উত্তৰ পূৰ্বাঞ্চলত ইউৰিয়াৰ থলুৱা উৎপাদন ক্ষমতা বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে। উত্তৰ পূৰ্বাঞ্চলৰ উপৰি বিহাৰ, পশ্চিমবংগ, উত্তৰ প্ৰদেশৰ পূব অংশ আৰু ঝাৰখণ্ডতো ইউৰিয়াৰ বৰ্ধিত চাহিদা পূৰণত সহায় কৰিব। এই প্ৰকল্প ৰূপায়ণৰ ফলত উত্তৰ পূৰ্বাঞ্চলত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে কৰ্মসংস্থাপন বৃদ্ধি পাব আৰু ইউৰিয়া উৎপাদনৰ ক্ষেত্ৰত দেশক আত্মনিৰ্ভৰ কৰাৰ সহায় কৰিব।

কেন্দ্ৰীয় চৰকাৰে ভীম ইউ পি আই ব্যৱস্থাৰে লেনদেনৰ প্ৰসাৰৰ বাবে এখন উদগণিমূলক আঁচনিতো অনুমোদন জনাইছে। এই আঁচনি ৰূপায়ণৰ বাবে আনুমানিক ব্যয় এহেজাৰ ৫০০ কোটি টকা ধাৰ্য্য কৰা হৈছে।

শ্ৰীবৈষ্ণৱে কয়,  যে এই আঁচনিৰ ক্ষুদ্ৰ উদ্যোগীসকলক কোনো অতিৰিক্ত ব্যয় নোহোৱাকৈ ইউ পি এ সেৱাৰ সুবিধা লোৱাত সহায় কৰিব। আজি মন্ত্ৰীসভাই সংশোধিত ৰাষ্ট্ৰীয় গকুল মিছনত অনুমোদন জনাইছে বুলিও তেওঁ উল্লেখ কৰে। পশুপালন খণ্ডৰ উন্নয়নৰ বাবে এই কাৰ্যসূচী ৰূপায়ণ হ'ব বুলি উল্লেখ কৰি শ্ৰীবৈষ্ণৱে কয় যে ইয়াৰ বাবে অতিৰিক্ত এহেজাৰ কোটি টকা ব্যয় ধাৰ্য কৰা হৈছে। ইয়াকে লৈ পঞ্চদশ বিত্তীয় আয়োগৰ সময়ছোৱাত এই কাৰ্যসূচীত মুঠ ৩ হাজাৰ ৪০০ কোটি টকা ব্যয় কৰা হ'ব। মন্ত্ৰীসভাই আজি দুগ্ধ খণ্ডৰ উন্নয়নৰ বাবে সংশোধিত ৰাষ্ট্ৰীয় কাৰ্যসূচীতো অনুমোদন জনায়। ০০০০

০০০০০

স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই আজি কয়, যে বৰ্তমান ১৫ হাজাৰ জন ঔষধি কেন্দ্ৰ কাৰ্যক্ষম হৈ আছে আৰু চৰকাৰে অহা দুবছৰত আৰু দহ হাজাৰ এনে কেন্দ্ৰ খোলাৰ সিদ্ধান্ত লৈছে। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ কাম-কাজৰ ওপৰত ৰাজ্যসভাত হোৱা আলোচনাত শ্ৰীনাড্ডাই কয়, যে এই কেন্দ্ৰসমূহত অতি সুলভ মূল্যৰ ঔষধ উপলব্ধ হোৱাৰ পৰিপ্ৰেক্ষিতত এতিয়ালৈকে ৰোগীসকলৰ বাবে ৩০ হাজাৰ কোটি টকা ৰাহি হৈছে। স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে ২০১৭ চনত প্ৰনয়ন হোৱা ৰাষ্ট্ৰীয় স্বাস্থ্য নীতিত প্ৰশমন, নিৰাময় তথা প্ৰতিৰোধমূলক পদ্ধতিৰ বিষয়ে উল্লেখ আছে। তেওঁ  কয় যে, এনে কেন্দ্ৰই সমগ্ৰ দেশতে স্বাস্থ্য সেৱাৰ কৰ্মীসকলৰ প্ৰশিক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। তেওঁ সাংসদসকলক স্থানীয় স্বাস্থ্যকেন্দ্ৰসমূহত ১৪ প্ৰকাৰৰ নিদানমূলক ব্যৱস্থা সুনিশ্চিত কৰিবলৈ আহ্বান জনায়। এই আলোচনাত অংশগ্ৰহণ কৰি বিজেপিৰ ভূবনেশ্বৰ কলিতাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ গতিশীল নেতৃত্বত স্বাস্থ্য সেৱাৰ ক্ষেত্ৰখনত এক নতুন মাত্ৰা দেখা পোৱা গৈছে। তেওঁ কয়, যে গুণগত স্বাস্থ্য সেৱা আৰু  সুলভ মূল্যৰ বাবে বিভিন্ন দেশৰ লোক চিকিৎসাৰ বাবে ভাৰতলৈ আহিবলৈ লৈছে। জে দি ইউৰ সঞ্জয় কুমাৰ ঝাই কয় যে উল্লেখযোগ্য পদক্ষেপেৰে দেশত স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত এক বৃহৎ পৰিৱৰ্তন হৈছে। তেওঁ লগতে কয়, যে চিকিৎসকৰ অভাৱৰ প্ৰতি লক্ষ্য ৰাখি যোৱা দহ বছৰত এক লাখ ২০ হাজাৰৰো অধিক চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰমৰ আসন সৃষ্টি কৰা হৈছে।

০০০০০

ভাৰতীয় মূলৰ মহাকাশচাৰী সুনীতা উইলিয়ামছ আৰু বুশ্ব্ উইলম'ৰ আজি পুৱতি নিশা নিৰাপদে পৃথিৱীলৈ উভতি আহে। স্পেচ এক্সৰ ড্ৰেগন মহাকাশযানেৰে মহাকাশচাৰী দুগৰাকীৰ লগতে আন দুগৰাকী মহাকাশচাৰী নাছাৰ নিক হেক আৰু ৰাছিয়াৰ মহাকাশচাৰী আলেকজেণ্ডাৰ গৰ্বুনভৰ লগতে স্পেচএক্সৰ ক্ৰু-নাইনৰ  যাত্ৰা সমাপ্ত কৰে। ভাৰতীয় সময় অনুসৰি আজি পুৱতি নিশা ৩ বাজি ২৭ মিনিটত গাল্ফ অৱ মেক্সিকোত যানখনে অৱতৰণ কৰে। ইয়াৰ লগে লগে মহাকাশচাৰী ৪ গৰাকীয়ে সমুদ্ৰত অৱতৰণ কৰাৰ পাছতে নাৱত অহা এটা উদ্ধাৰকাৰী দলে ড্ৰেগন যানখনক আন এখন জাহাজলৈ লৈ যায়। জাহাজখনত থকা এটা বিশেষ সঁজুলিৰে ড্ৰেগনক বান্ধি লৈ ষ্ট্ৰেচাৰৰ সৈতে উদ্ধাৰকাৰী দলৰ সদস্যই প্ৰথমে নিক হেক, আলেকজেণ্ডাৰ, সুনীতা উইলিয়ামছ আৰু বুশ্ব্ উইলম'ৰক নিৰাপদে বাহিৰলৈ উলিয়াই আনে। উল্লেখযোগ্য যে বয়িং ষ্টাৰলাইনাৰ মহাকাশযানৰ কাৰিকৰী বিজুতিৰ বাবে বিগত বৰ্ষৰ জুনৰ পৰাই মহাকাশচাৰী সুনীতা উইলিয়ামছ আৰু বুশ্ব উইলম'ৰ আন্তঃৰাষ্ট্ৰীয় মকাকাশ কেন্দ্ৰত আৱদ্ধ হৈ আছিল। দুয়োগৰাকী মহাকাশচাৰীয়ে নিৰ্ধাৰিত সময়ৰ তুলনাত ২৭৮ দিন বেছিকৈ অৰ্থাৎ ২৮৬ দিন মহাকাশত

থাকে। ইয়াৰ পৰিৱৰ্তে যোৱা দেওবাৰে ক্ৰু-টেনৰ ৪ জন মহাকাশচাৰীয়ে আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত দায়িত্ব গ্ৰহণ কৰে।

মহাকাশত ৯ মাহ অতিবাহিত কৰাৰ পাছত নাছাৰ মহাকাশচাৰী সুনীতা উইলিয়ামছ্ আৰু বুশ্ উইলম’ৰে যাতে পৃথিৱীৰ মধ্যাকৰ্ষণ শক্তিৰ মাজতো সহজে জীৱন ধাৰণ কৰিব পাৰে, তাৰবাবে মহাকাশচাৰী দুগৰাকীয়ে ৪৫ দিনীয়া পুনৰ্বাসন কাৰ্যসূচীত অংশ লৈছে। তেওঁলোকক টেক্সাচৰ হাষ্টনত থকা জনছন মহাকাশ কেন্দ্ৰলৈ লৈ গৈ চিকিৎসা বিশেষজ্ঞসকলে স্বাস্থ্য পৰীক্ষা কৰোৱাইছে। আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত দীৰ্ঘদিন ধৰি ভাৰহীন অৱস্থাত থকা মহাকাশচাৰী দুগৰাকীয়ে এই প্ৰভাৱৰ পৰা মুক্ত হোৱাৰ বাবে কঠোৰ শাৰীৰিক অনুশীলন কৰিব লাগিব। নামমাত্ৰ মধ্যাকৰ্ষণৰ মাজত থকাৰ বাবে মানৱ শৰীৰত ন-ন প্ৰত্যাহ্বানৰ সৃষ্টি হয়। ইয়াৰ ভিতৰত এৰ’বিক ক্ষমতা, তেজৰ চলাচল, দৃষ্টিশক্তিৰ দুৰ্বলতা, মাংসপেশীৰ শক্তি, ভাৰসাম্যতা, সমন্বয়, হাড়ৰ ঘনত্ব আৰু নিউৰ’ ভেষ্টিবুলাৰ কাৰ্য প্ৰণালীজনিত সমস্যা অন্যতম। এই প্ৰভাৱৰ পৰা মুক্ত কৰাৰ বাবে মহাকাশচাৰী দুগৰাকীক তিনিটা পৰ্যায়ৰ পুনৰ্বাসন কাৰ্যসূচীত অন্তৰ্ভুক্ত কৰা হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতে বিভিন্ন ক্ষেত্ৰত গ্ৰহণ কৰা কূটনৈতিক স্থিতি স্বীকৃতি আৰু প্ৰশংসাৰ যোগ্য বুলি বিজেপিয়ে প্ৰকাশ কৰিছে। কংগ্ৰেছ্ সাংসদ শশী থাৰুৰে ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধৰ সময়ছোৱাত প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত ভাৰতে গ্ৰহণ কৰা স্থিতিত প্ৰশংসা কৰা সন্দৰ্ভত দলৰ মুখপাত্ৰ সম্বিত পাত্ৰই আজি নতুন দিল্লীত সংসদ ভৱনৰ বাহিৰত সাংবাদিকৰ আগত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে সুদীৰ্ঘ দিন ৰাষ্ট্ৰসংঘত কাম কাৰ সূত্ৰে শ্ৰীথাৰুৰ কূটনৈতিক দিশসমূহ সন্দৰ্ভত অৱগত আৰু সেয়েহে তেওঁ প্ৰধানমন্ত্ৰীক এই বিষয়ে প্ৰশংসা কৰিছে। শ্ৰীপাত্ৰই কংগ্ৰেছ্ দলৰ অন্য নেতাসকলে ইয়াৰ পৰা শিক্ষা গ্ৰহণ কৰা উচিত বুলি উল্লেখ কৰে। তেওঁ কয় যে অবিৰতভাৱে প্ৰধানমন্ত্ৰীৰ বিৰোধিতা আৰু ভাৰত বিৰোধী স্থিতি লোৱা কংগ্ৰেছৰ অন্য সাংসদসকলেও এই বিষয়টো পুনৰ বিবেচনা কৰা উচিত। উল্লেখযোগ্য যে ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধৰ সময়ছোৱাত ভাৰতে গ্ৰহণ কৰা স্থিতিৰ বিৰোধিতা কৰাটো ভুল আছিল বুলি কংগ্ৰেছ্ নেতা শশী থাৰুৰে স্বীকাৰ কৰিছিল। নতুন দিল্লীত আয়োজিত ৰায়ছিনা আলোচনাত অংশগ্ৰহণ কৰি শ্ৰী থাৰুৰে কালি কয়, যে ২০২২ চনত ভাৰতৰ নিৰপেক্ষ স্থিতিৰ সমালোচনা কৰাৰ বাবে তেওঁ আজিও অনুতপ্ত। সেই সময়ত কংগ্ৰেছ্ নেতাগৰাকীয়ে ৰাছিয়াই ইউক্ৰেইনৰ ওপৰত কৰা আক্ৰমণৰ ক্ষেত্ৰত ভাৰতে গ্ৰহণ কৰা স্থিতিৰ বিৰোধিতা কৰিছিল আৰু এই আক্ৰমণক গৰিহণা দিবলৈ আহ্বান জনাইছিল।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে গাজাৰ পৰিস্থিতিক লৈ আজি উদ্বেগ প্ৰকাশ কৰি সকলো পণবন্দীক মুকলি কৰি দিবলৈ আহ্বান জনায়। মন্ত্ৰালয়ে এটা বিবৃতিত গাজাৰ জনসাধাৰণে মানৱীয় সাহায্যৰ যোগান ধৰিবলৈ সকলোকে আহ্বান জনায়।

ooooo

২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে জলশক্তি মন্ত্ৰালয়ৰ নিয়ন্ত্ৰণত থকা দাবী মঞ্জুৰী সন্দৰ্ভত লোকসভাই আলোচনাত মিলিত হৈছে। সদনত এই আলোচনাৰ আৰম্ভ কৰি বিজেপিৰ সাংসদ জগদম্বিকা পালে কয় যে নৰেন্দ্ৰ

মোদী চৰকাৰে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে জলশক্তি মন্ত্ৰালয়ক ৯৯ হাজাৰ ৫০০ কোটি টকাৰো অধিক পুঁজি আৱণ্টন কৰা হৈছে। যোৱা বছৰৰ বাজেটত ৫১ হাজাৰ ৫৫৮ কোটি টকাৰ আৱণ্টনতকৈ এইবাৰ প্ৰায় ৯৩ শতাংশ বেচি টকা আৱণ্টন দিয়া হৈছে বুলি তেওঁ উল্লেখ কৰে। চৰকাৰে জলজীৱন মিছন -ঘৰে ঘৰে পানী যোগান আঁচনি কাৰ্যকৰীকৰণৰ জৰিয়তে গাওঁৰ প্ৰতিখন ঘৰলৈ নলযোগে পানী যোগান ধৰিছে। শ্ৰীপালে কয় যে এইবছৰ বাজেটত চৰকাৰে জলজীৱন মিছনৰ বাবে ৬৭ হাজাৰ কোটি টকা আৱণ্টন দিছে।

ooooo

মিজোৰাম চৰকাৰে ৰাজ্যখনত মিজোৰাম সাৰ্বজনীন স্বাস্থ্য সেৱা আঁচনি নামেৰে এখন বৃহৎ আঁচনি প্ৰৱৰ্তন কৰিছে। মিপুই হেল্‌থ কেয়াৰ বুলি পৰিচিত এই আঁচনিৰ অধীনত মিজোৰাম চৰকাৰৰ অধীনৰ চৰকাৰী কৰ্মচাৰীৰ পৰিয়ালকে ধৰি সকলো শ্ৰেণীৰ পৰিয়ালে বছৰি ৫ লাখ টকালৈকে নগদবিহীন চিকিৎসা সেৱা লাভ কৰিব। এই আঁচনিখন আয়ুস্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ সৈতে যুক্ত কৰা হ’ব আৰু বহিঃ আৰু অন্তৰ্বিভাগ - দুয়োধৰণৰ ৰোগীক এই আঁচনিৰ অন্তৰ্ভুক্ত কৰা হ’ব। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী লালদুৱমাই আজি ৰাজ্য বিধানসভাত এই আঁচনিৰ বিষয়ে ঘোষণা কৰি কয়, যে এই বিনামূলীয়া সাৰ্বজনীন চিকিৎসা সেৱা ৰাজ্যখনৰ সকলো চৰকাৰী চিকিৎসালয়, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু মিজোৰাম চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত ৰাজ্যৰ ভিতৰৰ আৰু ৰাজ্যৰ বাহিৰৰ ব্যক্তিগত চিকিৎসালয়ৰ ক্ষেত্ৰতো প্ৰযোজ্য হ’ব আৰু ১ এপ্ৰিলৰ পৰা ইয়াক কাৰ্যকৰী কৰা হ’ব।

ooooo

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে কাইলৈ ৰাষ্ট্ৰপতি ভৱনত অমৃত উদ্যানত হ’বলগীয়া উদ্যম উৎসৱত অংশগ্ৰহণ কৰিব। ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ মন্ত্ৰালয়ৰ উদ্যোগত এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। চলিত মাহৰ ৩০ তাৰিখে সামৰণি পৰিবলগীয়া এই অনুষ্ঠানৰ জৰিয়তে দেশৰ ঐতিহ্যক নাগৰিকৰ ওচৰলৈ লৈ গৈ ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগক সৱলীকৰণ আৰু উৎসাহিত কৰাৰ চেষ্টা কৰা হৈছে। এই অনুষ্ঠানত হস্তশিল্পৰ পৰা আৰম্ভ কৰি বিভিন্ন কৃষিভিত্তিক সামগ্ৰী প্ৰদৰ্শন কৰা হ’ব। ইয়াৰ উপৰিও ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ প্ৰযুক্তি, মহিলা উদ্যোগী, পি এম বিশ্বকৰ্মা আৰু জনজাতীয় উদ্যোগী, খাদী আৰু গ্ৰাম্য উদ্যোগৰ সামগ্ৰী এই অনুষ্ঠানত প্ৰদৰ্শন কৰা হ’ব। সামগ্ৰীৰ প্ৰদৰ্শনৰ উপৰি থলুৱা গীত-মাত, নাটক, ৰাজস্থানী পুতলা প্ৰস্তুতকৰণ আদি কাৰ্যসূচী এই অনুষ্ঠানত অন্তৰ্ভুক্ত কৰা হৈছে।

ooooo

সমাপ্ত